# বিদ্যালয় পঞ্জীয়নৰ চৰ্তাৱলী, ২০১৭ চন

## অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

**অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী ৭৮১০২০**

---

১। পাঠ্যক্রম আৰু পাঠ পৰিকল্পনা অজাবিৰ সৈতে একে হ'ব লাগিব।

২। নৱম দশম শ্ৰেণীৰ বাহিৰে প্ৰচলিত পাঠ্যপুথি অজাবি ন্যাসৰ দ্বাৰা প্ৰকাশিত আৰু অনুমোদিত হ'ব লাগিব। পাঠ্যপুথিৰ তালিকা শ্ৰেণীভিত্তিক হ'ব লাগিব।

৩। ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্নকাকত অজাবিৰ হোৱাটো বাঞ্ছনীয়।

৪। এজবেকৰ শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীত নিয়মীয়াকৈ অংশগ্ৰহণ কৰিব লাগিব।

৫। নিয়মীয়াকৈ অজাবি কৰ্তৃপক্ষক বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিব লাগিব।

৬। বিদ্যালয় পৰিদৰ্শনৰ প্ৰাসঙ্গিক টোকাসমূহ সন্তোষজনক হ'ব লাগিব।

৭। পঞ্জীয়নৰ আবেদনত দৃষ্টিগোচৰ হোৱা আসোঁৱাহবোৰ এক নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত সমাধান কৰিব লাগিব।

৮। ওচৰা-উচৰিকৈ স্থাপন হোৱা বিদ্যালয়ৰ ক্ষেত্ৰত পুৰণি বিদ্যালয়ক পঞ্জীয়নৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব যদিহে বিদ্যালয়খনৰ আন দিশবোৰ সন্তোষজনক হয়।

৯। অসুস্থ প্ৰতিদ্বন্দিতাৰে ওচৰা-উচৰিকৈ স্থাপন হোৱা জাতীয় বিদ্যালয়ৰ পঞ্জীয়নৰ ক্ষেত্ৰত বিভিন্ন দিশ চোৱা হ'ব, যেনে-

ক) তেনে এখন বিদ্যালয় সেই অঞ্চলত স্থাপন কৰাৰ প্ৰয়োজনীয়তা

খ) তেনেদৰে স্থাপন হোৱাৰ কাৰণ আৰু পটভূমি

গ) নেতৃস্থানীয় নাগৰিকৰ মতামত

ঘ) বিদ্যালয়খনৰ শৈক্ষিক কাৰ্যসূচী আৰু এজবেকৰ লগত সম্পৰ্ক

১০। বিদ্যালয়সমূহে নিজৰ পাঠদানৰ ৰুটিন দাখিল কৰিব লাগিব।

১১। বিদ্যালয়সমূহৰ নিজৰ নিজৰ ই-মেইল ঠিকনা থকাটো বাধ্যতামূলক।

১২। সহ-পাঠ্যক্ৰমৰ ব্যৱস্থা আছে নে নাই।

১৩। বিজ্ঞানাগাৰ, পুথিভঁৰালৰ ব্যৱস্থা কেনেধৰণৰ।

১৪। SEBAৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত হয় নে নহয়।

১৫। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল কেনেধৰণৰ।

১৬। চৰকাৰৰ অনুমোদন আছে নে নাই।

১৭। উত্তীৰ্ণ নীতি কেনেধৰণৰ।

১৮। বিদ্যালয়ৰ কৰ্মদিন আৰু সময়সূচী কেনেধৰণৰ।

১৯। শিক্ষাবৰ্ষ অনুযায়ী বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা।

২০। শৈক্ষিক দিনপঞ্জী অজাবিৰ নে নিজৰ।

২১। বিদ্যালয় পৰিচালনা সমিতিৰ গাঁথনি কেনেধৰণৰ।

২২। অন্তিম বাৰ্ষিক প্ৰতিবেদনৰ প্ৰতিলিপি। ■■■